**দি কো-অপাৰেটিভ চিটি বেংক লিমিটেড**
**ইউ.এন বেজবৰুৱা ৰোড, শিলপুখুৰী**
**গুৱাহাটী - ৭৮১০০৩**

**জাননী**

ইয়াৰ দ্বাৰা জনোৱা যায় যে দি কো-অপাৰেটিভ্ চিটি বেংক লিমিটেডৰ ৩৯ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন ইং ২০২৫ চনৰ ৩১ আগষ্ট ৰবিবাৰে দিনৰ ১১ বজাত নিম্নলিখিত বিষয়সমূহৰ আলোচনাৰ্থে বেংকৰ নিজা ভৱন, ইউ. এন. বেজবৰুৱা পথ, শিলপুখুৰী, গুৱাহাটী- ৭৮১০০৩ ত অনুষ্ঠিত হ'ব।

সভা, কোনো কাৰণবশতঃ স্থগিত হলে, স্থগিত সভা অহা ৭ চেপ্টেম্বৰ, ২০২৫, ৰবিবাৰে একে স্থান আৰু একে সময়তে একে বিষয় সমূহ আলোচনাৰ বাবে অনুষ্ঠিত হ'ব।

উক্ত সভাত সকলো অংশীদাৰ সদস্যকে উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

**কাৰ্যসূচী ঃ**

১। সভাপতিৰ আসন গ্ৰহণ।

২। মৃত অংশীদাৰ আৰু বিশিষ্ট ব্যক্তিৰ প্ৰতি শোক প্ৰকাশ আৰু শ্ৰদ্ধাঞ্জলি।

৩। ইং ২০২৪ চনৰ ১ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যোৱা বেংকৰ ৩৮ সংখ্যক বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী পাঠ আৰু গ্ৰহণ।

৪। ৩১/৩/২০২৫ তাৰিখৰ বাৰ্ষিক প্ৰতিবেদন, বেলেন্স শ্বীট, ১/৪/২০২৪ৰ পৰা ৩১/৩/২০২৫ চনৰ সময়ছোৱাৰ লাভ আৰু লোকচানৰ হিচাপ বিৱৰণী বিবেচনা আৰু প্ৰস্তাৱ গ্ৰহণ।

৫। ইং ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সম্ভাব্য বাজেট বিবেচনা আৰু গ্ৰহণ।

৬। চলিত বছৰৰ বাবে আৰু পৰৱৰ্তী বাৰ্ষিক সাধাৰণ সভালৈকে সৰ্বোচ্চ ঋণ লোৱাৰ উৰ্দ্ধতম নিৰিখ নিৰ্দ্ধাৰণ।

৭। ইং ২০২৫-২৬ বৰ্ষৰ বাবে আভ্যন্তৰীণ হিচাপ নিৰীক্ষক নিযুক্তি তথা তেওঁলোকৰ মাচুল নিৰ্ধাৰণ।

৮। নিশ্চিতকৰণৰ বাবে ইং ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বিধিগত হিচাব পৰীক্ষকৰ সমীক্ষা প্ৰতিবেদন পাঠ।

৯। বেংকৰ উপ-বিধি নং ৫, ১৪ (i) ইত্যাদি সংশোধনী প্ৰস্তাৱ গ্ৰহণ।

১০। বেংকৰ উপ-বিধি নং ২০ (vii) ধাৰা অনুযায়ী অন্যান্য বিষয়ৰ ওপৰত আলোচনা।

১১। শলাগৰ শৰাই।

সঞ্চালক মণ্ডলীৰ আদেশ অনুসৰি,
স্বাঃ অসীম বৰদলৈ
পৰিচালন সঞ্চালক

**গুৱাহাটী**
**১১ আগষ্ট, ২০২৫**



**বিঃদ্রঃ**

১। বেংকৰ অংশীদাৰসকলে এই জাননীখন লগত লৈ অহাটো অপৰিহাৰ্য্য তদুপৰি যিসকল লোকে কোনো ব্যৱসায় প্ৰতিষ্ঠান বা কোম্পানীক প্ৰতিনিধিত্ব কৰে, তেখেত সকলে যেন অনুগ্ৰহ কৰি সভা নিৰ্দ্ধাৰিত সময়ৰ এক ঘণ্টা পূৰ্বে সেই প্ৰতিষ্ঠান বা কোম্পানীয়ে প্ৰতিনিধিজনক সভাত অংশগ্ৰহণ কৰিবলৈ আৰু ভোট দিবলৈ দিয়া ক্ষমতা পত্ৰখন আৰু প্ৰস্তাৱ দাখিল কৰে।

২। সভা আৰম্ভ হোৱাৰ কমেও এঘণ্টা আগতে কাৰ্যসূচীৰ বিষয়ৰ বাহিৰে আন যিকোনো বিষয়ৰ ওপৰত আলোচনাৰ বাবে স্বাক্ষৰ আৰু তাৰিখৰ সৈতে সভাপতিক লিখিতভাৱে সঠিক জাননী দিব লাগিব।

৩। বাৰ্ষিক প্ৰতিবেদন বেংকৰ ৱেবছাইট 'www.ccbguwahati.com'ৰ পৰা ডাউনলোড কৰিব পৰিব।

৪। থুল নিৰ্দ্ধাৰণৰ সময় পুৱা ১১.০০ বজাৰ পৰা ১২.০০ বজালৈ।